**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-10-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

## ***HEADLINES***

১। অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই বেংগালুৰুৰ দদ্দা আলাদমাৰা ৰোডত নিৰ্মাণ কৰা অসম ভৱন আনুষ্ঠানিকভাৱে মুকলি কৰে।

২। চৰকাৰে পৰৱৰ্তী পযেকৰ বাবে পেট্ৰ'ল, ডিজেল আৰু বিমান ইন্ধনৰ ৰপ্তানিৰ ক্ষেত্ৰত প্ৰযোজ্য হ'বলগীয়া সংশোধিত শুল্কৰ অধিসূচনা জাৰি কৰিছে।

৩। বিশ্ব বেংক গোটৰ গাইগুটীয়া পুঁজিৰ উৎসৰ ক্ষেত্ৰত ভাৰতে আমেৰিকা আৰু ব্ৰিটেইনৰ সৈতে একে শাৰীত স্থান লাভ কৰিছে।

৪। চৌদি আৰৱৰ সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি এয়াৰ ইণ্ডিয়াই ৰিয়াধ, ডাম্মাম আৰু জেড্ডাৰ পৰা অহা আৰু যোৱা সকলো বিমানৰ যাত্ৰা অহা ২০ অক্টোবৰলৈ বাতিল কৰিছে।

আৰু

৫। ভাৰত আৰু জিম্বাব'ৱেৰ মহিলা ক্ৰিকেট দলৰ মাজৰ তিনিখনীয়া টী-২০ শৃংখলাৰ প্ৰথমখন খেল আজি ৰায়পুৰত অনুষ্ঠিত হ'ব।

০০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বেংগালুৰুৰ দদ্দা আলাদমাৰা ৰোডত নিৰ্মাণ কৰা অসম ভৱন আজি আনুষ্ঠানিকভাৱে মুকলি কৰে। এই অসম ভৱন কৰ্ণাটককে ধৰি দাক্ষিণাত্যত বাস কৰা, বিভিন্ন কামত নিয়োজিত নাইবা চিকিৎসা আদিৰ বাবে যোৱা অসমৰ লোকসকলৰ বাবে গুৰুত্বপূৰ্ণ আশ্ৰয়স্থল হিচাপে বিবেচিত হ'ব। ৭১ কোটি টকা ব্যয়েৰে অত্যাধুনিক সা-সুবিধাৰে সমৃদ্ধ কৰি অসম ভৱনৰ ছমহলীয়া অট্টালিকাটো নিৰ্মাণ কৰা হৈছে। অসমৰ পৰা যোৱা সাধাৰণ নাগৰিক, চৰকাৰী বিষয়া আৰু ভি আই পি অতিথিৰ বাবে পৃথকে সু-সজ্জিত কক্ষৰ লগতে ২৪ খন বিছনাযুক্ত শয়নকক্ষ আৰু ১২ খন বিছনাযুক্ত ছাউনী নিৰ্মাণ কৰা হৈছে। উল্লেখযোগ্য যে বেংগালুৰুৰ অসম ভৱনত ৩ টা ভি ভি আই পি কক্ষ, চাৰিটা ভি আই পি, ২৬ টা সাধাৰণ আৰু ৩৬ টা দুখন আসনযুক্ত কক্ষ নিৰ্মাণ কৰা হৈছে। এইবোৰৰ লগতে ইয়াত ৫ টা সন্মিলনকক্ষ আৰু দ্বৈত কোঠাযুক্ত দুটা এপাৰ্টমেণ্টো আছে।

বেংগালুৰুৰ অসম ভৱনত বেংগালুৰুৰ বিভিন্ন আগশাৰীৰ চিকিৎসালয়লৈ চিকিৎসাৰ বাবে যোৱা অসমৰ ৰোগী আৰু তেওঁলোকৰ পৰিয়ালক কম খৰচত সুৰক্ষিত আৰু সুলভ আবাস প্ৰদান কৰা হ'ব। একেদৰে উচ্চ শিক্ষাৰ বাবে নামভৰ্তি, সাক্ষাৎকাৰ নাইবা প্ৰৱেশ পৰীক্ষা দিবলৈ যোৱা শিক্ষাৰ্থী আৰু নতুন চাকৰিয়ালসকলক ইয়াত প্ৰাৰম্ভিক দিনকেইটাত কম খৰচত থকাৰ সুবিধা আগবঢ়োৱা হ'ব। কৰ্ণাটকত বসবাস কৰা প্ৰবাসী অসমীয়া সমাজৰ মাজত সমন্বয় ৰক্ষা আৰু অসমৰ শিল্প সংস্কৃতি প্ৰচাৰৰ কেন্দ্ৰ বিন্দু হিচাপেও বেংগালুৰুৰ অসম ভৱনে সেৱা আগবঢ়াব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে বেংগালুৰুৰ অসম ভৱন আনুষ্ঠানিকভাৱে মুকলি কৰাৰ পাছতে অসম চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগৰ অনলাইন প'ৰ্টেল

তথা নিৰ্ধাৰিত ব্যৱস্থাৰ জৰিয়তে কোঠা সংৰক্ষণৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। আজিৰ অনুষ্ঠানত উপস্থিত থকা অসম চৰকাৰৰ সাধাৰণ প্ৰশাসন ইত্যাদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই আজি মুখ্যমন্ত্ৰী ড০ শৰ্মাই আনুষ্ঠানিকভাৱে উদ্বোধন কৰা অসম ভৱনৰ আন্তঃগাঁথনি তথা সামগ্ৰিক বিষয়টোৰ প্ৰসংগত এইদৰে কয়- *(বাইট)*।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসেৱাৰ জৰিয়তে দেশ সেৱাৰ লক্ষ্যৰে ৰাজহুৱা সেৱাৰ ক্ষেত্ৰত ২৫ বছৰ সফলতাৰে সম্পূৰ্ণ কৰিছে আৰু সম্পূৰ্ণ দায়বদ্ধতাৰে এই সেৱা অব্যাহত ৰাখিছে। সেৱা আৰু সুশাসনৰ লক্ষ্যৰে চৰকাৰে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে নিৰন্তৰ কাম কৰি আছে। সৰ্বাত্মক বিকাশ আৰু সামাজিক সবলীকৰণৰ জৰিয়তে চৰকাৰৰ এই নিষ্ঠাপূৰ্ণ সেৱাই জনসাধাৰণৰ জীৱনত ৰূপান্তৰ সাধন কৰিবলৈ সমৰ্থ হৈছে। এই শৃংখলাত আজি **এক ভাৰত শ্ৰেষ্ঠ ভাৰত**ৰ লেখীয়া সুদূৰ প্ৰসাৰী উদ্যমৰ জৰিয়তে কিদৰে এই দৃষ্টিভংগী বাস্তৱায়িত কৰা হৈছে, সেই বিষয়ে আলোকপাত কৰা হৈছে।

ভাৰত বিবিধ ভাষা, দোৱান আৰু সংস্কৃতিৰ ভূমি। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই কথা বিবেচনা কৰি প্ৰৱৰ্তন কৰা এক ভাৰত শ্ৰেষ্ঠ ভাৰত উদ্যমৰ জৰিয়তে বিভিন্ন ৰাজ্যৰ জনসাধাৰণৰ মাজৰ পাৰস্পৰিক বুজাবুজিৰ মনোভাৱ গঢ়ি তোলাৰ লগতে সম্পৰ্ক সুদৃঢ় কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে প্ৰতিটো ভাৰতীয় ভাষা আৰু সংস্কৃতিক ৰাষ্ট্ৰৰ বাবে গৌৰৱৰ বিষয় বুলি উল্লেখ কৰি আহিছে।

বাইট (মোদী)

ঝাৰখণ্ড প্ৰধানমন্ত্ৰীৰ এই দৃষ্টিভংগীৰ এটা উজ্জ্বল নিদৰ্শন। ৰাজ্যখনৰ পশ্চিম সিংভূম জিলাৰ ক'লহান অঞ্চলে স্থানীয় জীৱনৰ অবিচ্ছেদ্য অংগস্বৰূপ চহকী ভাষিক আৰু সাংস্কৃতিক বিবিধতাক প্ৰতিফলিত কৰে। আগশাৰীৰ জনজাতীয় ক'লহান ভাষাত হ'ই অঞ্চলটোত অনন্য সংস্কৃতি আৰু পৰিচয় বহন কৰে। এই ভাষিক আৰু সাংস্কৃতিক ঐতিহ্যৰ অন্বেষণ আৰু সম্যক জ্ঞান লাভ কৰাৰ বাবে পশ্চিমবংগ, ওড়িশা আৰু দেশৰ আন প্ৰান্তৰ ৰাজ্যৰ শিক্ষাৰ্থীসকলে নিয়মীয়াভাৱে অঞ্চলটোৰ শৈক্ষিক প্ৰতিষ্ঠানসমূহ ভ্ৰমণ কৰি আহিছে। এক ভাৰত শ্ৰেষ্ঠ ভাৰত উদ্যমৰ অধীনত ৰূপায়ণ কৰা এনে শৈক্ষিক ভ্ৰমণে শিক্ষাৰ্থীসকলক আকৰ্ষণ কৰি আহিছে।

ক'লহানৰ পৰা দেশৰ বিভিন্ন দেশৰ বিভিন্ন প্ৰান্তত ভাষা আৰু দোৱান ভিন ভিন হ'লেও সকলোতে একতাৰ মনোভাৱ বিদ্যমান। এক ভাৰত শ্ৰেষ্ঠ ভাৰত উদ্যমে পাৰস্পৰিক বুজাপৰা আৰু সন্মানৰ মাধ্যমেৰে বিভিন্ন অঞ্চলৰ জনসাধাৰণক ওচৰ চপাই আনি সাংস্কৃতিক সম্পৰ্ক সুদৃঢ় কৰি তুলিছে। উমৈহতীয়া ঐতিহ্যৰ সংৰক্ষণ আৰু উদযাপনৰ জৰিয়তে আমি সমূহীয়াভাৱে এখন শক্তিশালী আৰু সমৃদ্ধিশালী ৰাষ্ট্ৰ এক ভাৰত আৰু শ্ৰেষ্ঠ ভাৰত গঢ়াত অৰিহণা যোগাব।

০০০০০০০

চৰকাৰে পৰৱৰ্তী পযেকৰ বাবে পেট্ৰ'ল, ডিজেল আৰু বিমান ইন্ধনৰ ৰপ্তানিৰ ক্ষেত্ৰত প্ৰযোজ্য হ'বলগীয়া সংশোধিত শুল্কৰ অধিসূচনা জাৰি কৰিছে। বিত্ত মন্ত্ৰালয়ে কালি জাৰি কৰা এই অধিসূচনা অনুসৰি পেট্ৰ'লৰ ৰপ্তানিৰ ক্ষেত্ৰত শুল্কৰ হাৰ প্ৰতি লিটাৰত আঢ়ৈ টকা আৰু ডিজেলৰ ক্ষেত্ৰত চাৰে ৮ টকা হ'ব। একেদৰে বিমানৰ ইন্ধনৰ ৰপ্তানিৰ ক্ষেত্ৰত প্ৰতি লিটাৰত প্ৰযোজ্য চাৰে ১০ টকাৰ শুল্ক পূৰ্বৰ

দৰে অব্যাহত থাকিব। অধিসূচনাখনত ঘৰুৱা চাহিদা পূৰণৰ বাবে উপলব্ধ পেট্ৰ'ল আৰু ডিজেলৰ ওপৰত আৰোপিত আবকাৰী শুল্কৰ হাৰত কোনোধৰণৰ সাল-সলনি কৰা হোৱা নাই বুলি উল্লেখ কৰা হৈছে।

০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি শেহতীয়া প্ৰতিবাদ সন্দৰ্ভত কংগ্ৰেছ দলৰ উদ্দেশ্যক লৈ প্ৰশ্ন উত্থাপন কৰে। তেওঁ কয়, যে কংগ্ৰেছ দলে ভুল তথ্যৰে জনসাধাৰণক বিপথে পৰিচালিত কৰিছে আৰু হিংসা আৰু অৰাজকতাৰ আশ্ৰয় লৈ নিৰ্বাচনত পৰাজয়ৰ প্ৰতিশোধ লৈছে। লক্ষ্ণৌত সংবাদ মাধ্যমৰ আগত এই বিষয়ে উল্লেখ কৰি শ্ৰী সিঙে কংগ্ৰেছ দল আৰু ইয়াৰ নেতা ৰাহুল গান্ধীক সমালোচনা কৰি কয়, যে তেওঁলোকে গান্ধী উপাধি ব্যৱহাৰ কৰাটো উচিত নহয় কাৰণ জাতিৰ পিতা মহাত্মা গান্ধীয়ে চৌৰিচৌৰাৰ হিংসাত্মক ঘটনাৰ পাছত তেওঁৰ অভিযান বাতিল কৰিছিল। কংগ্ৰেছৰ যুঁজখন ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ পুনৰীক্ষণ আৰু মুখ্য নিৰ্বাচন আয়ুক্তৰ পদত্যাগৰ দৰে বিষয়সমূহক লৈ যে নহয়, সেয়া স্পষ্ট হৈ পৰিছে বুলি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁলোকৰ কাৰ্যকলাপক লৈ উচ্চতম ন্যায়ালয়ে কৰা মন্তব্যই এই ইংগিত দিয়ে বুলিও তেওঁ উল্লেখ কৰে। শ্ৰী সিঙে লগতে কয়, যে ৰাহুল গান্ধীয়ে বিভাজনৰ ৰাজনীতি কৰাটো উচিত নহয়, কাৰণ দেশৰ ভৱিষ্যত সকলোৰে দায়িত্ব। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে প্ৰাক্তন মুখ্য নিৰ্বাচন আয়ুক্ত এম এছ গীল আৰু নবীন চাওলাৰ ভূমিকাৰ কথা উল্লেখ কৰি নিৰ্বাচন আয়োগৰ মুৰব্বী হৈ থকাৰ সময়ত তেওঁলোকৰ কাৰ্যক লৈও প্ৰশ্ন উত্থাপন হৈছিল বুলি মন্তব্য কৰে।

০০০০০০০০

পাঁচটা সংস্থাক লৈ গঠিত বিশ্ব বেংক গোটে আহৰণ কৰা গাইগুটীয়া পুঁজিৰ উৎসৰ ক্ষেত্ৰত ভাৰতে আমেৰিকা আৰু ব্ৰিটেইনৰ সৈতে একে শাৰীত স্থান লাভ কৰিছে। বেংককত অনুষ্ঠিত বিশ্ব বেংকৰ বাৰ্ষিক পূৰ্ণাংগ বৈঠকত ভাষণ দি প্ৰতিষ্ঠানটোৰ অধ্যক্ষ অজয় বাংগাই আন্তঃৰাষ্ট্ৰীয় বিকাশৰ ক্ষেত্ৰত ভাৰতৰ ক্ৰমবৰ্ধমান ভূমিকাৰ বিষয়ে উল্লেখ কৰে। তেওঁ লগতে কয় যে বিগত বৰ্ষত বিনিয়োগকাৰীৰ পৰা পুঁজি আহৰণ কৰা ১১০খন দেশৰ ভিতৰত আমেৰিকা, ব্ৰিটেইন আৰু ভাৰতে আগশাৰীত স্থান লাভ কৰিছে।

তথ্য অনুসৰি গাইগুটীয়া পুঁজি আহৰণৰ পৰিমাণ ২০২২ বৰ্ষৰ প্ৰায় তিনি হাজাৰ ৫০০ কোটি ডলাৰৰ পৰা তিনি গুণ বৃদ্ধি পাই বিগত বৰ্ষত ১১ হাজাৰ ২০০ কোটি ডলাৰ হয় গৈ। প্ৰতিষ্ঠানটোৰ নিজাববীয়া বিত্ত যোগানৰ সৈতে সংযুক্ত কৰাৰ পাছত এই পৰিমাণে ২৩ হাজাৰ কোটি ডলাৰ অতিক্ৰম কৰে বুলিও তেওঁ জানিবলৈ দিয়ে।

০০০০০০০০

চৌদি আৰবৰ সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি এয়াৰ ইণ্ডিয়াই ৰিয়াধ, ডাম্মাম আৰু জেড্ডাৰ পৰা অহা আৰু যোৱা সকলো বিমানৰ যাত্ৰা অহা ২০ অক্টোবৰলৈ বাতিল কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত এয়াৰ ইণ্ডিয়াই প্ৰকাশ কৰা মতে নিৰাপদে পুনৰ বিমান সেৱাৰ সুবিধা প্ৰদান নিশ্চিত কৰাৰ বাবে পৰিস্থিতি নিৰন্তৰ নিৰীক্ষণ কৰি থকা হৈছে। এই বিমান সেৱা বাতিল কৰাৰ ফলত প্ৰভাৱিত সকলো যাত্ৰীকে সম্পূৰ্ণ ধন ঘূৰাই দিয়া হ'ব বুলি বিমান পৰিচালনা সংস্থাটোৱে প্ৰকাশ কৰিছে।

০০০০০০০০

মিজোৰামৰ এগৰাকী সফল ষ্ট্ৰবেৰী খেতিয়কক খাদ্য আৰু কৃষি সংগঠন ফাওৰ ৰোমৰ মুখ্য কাৰ্যালয়ত আয়োজিত এটা অনুষ্ঠানত শ্ৰেষ্ঠ মহিলা খেতিয়ক সন্মানেৰে বিভূষিত কৰা হৈছে। মিজোৰামৰ Lawngtlai জিলাৰ বাসিন্দা পাই জেড টি লাল্‌ৰিঠাঙি নামৰ এই খেতিয়কগৰাকীক বিশ্ব ১৩১খন দেশৰ

৬০০ গৰাকীতকৈও অধিক খেতিয়কৰ মাজৰ পৰা বাছনি কৰা হৈছে। আন্তঃৰাষ্ট্ৰীয় মহিলা খেতিয়ক বৰ্ষ ২০২৬ৰ সৈতে সংগতি ৰাখি খাদ্য আৰু কৃষি সংগঠনে স্বীকৃতি প্ৰদান কৰা কৃষি খাদ্য উৎপাদন আৰু গ্ৰামোন্নয়নৰ সৈতে জড়িত বিশ্বৰ ১০০গৰাকী মহিলাৰ মাজত স্থান লাভ কৰা ভাৰতৰ দুগৰাকী মহিলাৰ মাজত তেওঁ নিজৰ স্থান নিশ্চিত কৰিছে। এই স্বীকৃতি লাভ কৰা মিজোৰামৰ প্ৰথমগৰাকী মহিলা খেতিয়ক লাল্‌ৰিঠাঙিয়ে ষ্ট্ৰবেৰী উৎপাদনৰ ক্ষেত্ৰত প্ৰদৰ্শন কৰা নিষ্ঠা, কঠোৰ পৰিশ্ৰম আৰু সাফল্যৰ লগতে ভৱিষ্যৎ প্ৰজন্মৰ বাবে দেখুওৱা আদৰ্শৰ বাবে এই সন্মান লাভ কৰিছে।

০০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ কনছুলাৰ, পাৰপত্ৰ আৰু ভিজা আৰু প্ৰবাসী ভাৰতীয়ৰ সৈতে জড়িত কাম-কাজৰ দায়িত্বত থকা সচিব সুপ্ৰিয়া ৰংগনাথনে আজি পৰ্যটন সম্পৰ্কীয় আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ সঞ্চালক প্ৰধান এমী পোপক সাক্ষাৎ কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ তৰফৰ পৰা সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা এটা বাৰ্তাত এই বিষয়ে উল্লেখ কৰি কোৱা হৈছে যে এই আলোচনা কালত তেওঁলোকে গোলকীয় প্ৰব্ৰজন আৰু জনসাধাৰণৰ আহ-যাহৰ ধাৰা তথা এই ক্ষেত্ৰত ভাৰতৰ বাবে সুযোগ-সুবিধাৰ সম্প্ৰসাৰণৰ বিষয়ক লৈ মত-বিনিময় কৰে।

০০০০০০০০

ভাৰত আৰু জিম্বাব'ৱেৰ মহিলা ক্ৰিকেট দলৰ মাজৰ তিনিখনীয়া টী-২০ শৃংখলাৰ প্ৰথমখন খেল আজি ৰায়পুৰৰ ছহিদ বীৰ নাৰায়ণ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ভাৰতীয় মহিলা ক্ৰিকেট দলটোৱে একেৰাহে পাঁচখন খেলত জয় লাভ কৰি প্ৰৱল আত্মবিশ্বাসী হৈ আছে। আলহী দলটোৱে ক্ৰমাগত পাঁচখন খেলত পৰাজয় বৰণ কৰিছে। শৃংখলাৰ পৰৱৰ্তী খেল দুখন ১৮ আৰু ২০ অক্টোবৰত একে স্থানতে অনুষ্ঠিত হ'ব। শৃংখলাৰ তিনিওখন খেল মহিলা দৰ্শকৰ বাবে সম্পূৰ্ণ বিনামূলীয়া হ'ব। ছত্তিশগড়ৰ মুখ্যমন্ত্ৰী বিষ্ণু দেও ছাইৰ পৰামৰ্শ অনুসৰি এই সিদ্ধান্ত লোৱা হৈছে। দুয়োটা দলৰ মাজত টী-২০ ক্ৰিকেট শৃংখলাৰ পাছত তিনিখনীয়া এদিনীয়া শৃংখলা অনুষ্ঠিত হ'ব।

০০০০০০০০

সমাপ্ত